# REGIONAL NEWS UNIT

## AKASHVANI :: GUWAHATI

0000000000

**Date : 08-02-2025**
**Time : 21-25 Hrs**

# Assamese Night Bulletin

:::::::::::::::::::::::::::::::::

ৰাজ্য চৰকাৰে শেহতীয়াকৈ অসম ষ্টাৰ্ট আপ আৰু উদ্ভাৱন নীতিত অনুমোদন জনাইছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই  প্ৰকাশ কৰিছে। আজি মুম্বাইত জে এছ ডব্লিঅ' গোটৰ অধ্যক্ষ সজ্জন জিন্দালৰ সৈতে হোৱা আলোচনাত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ লগতে   আন্তঃগাথনি তথা শক্তিখণ্ডত ৰাজ্য চৰকাৰৰ সৈতে প্ৰতিষ্ঠানটোৰ অংশীদাৰিত্বৰ সম্ভাৱনীয়তা সম্পৰ্কে আলোচনা কৰে। ৰাজ্যত বিনিয়োগ আকৰ্ষিত কৰাৰ বাবে লোৱা বিভিন্ন পদক্ষেপৰ বিষয়ে শ্ৰীজিন্দালক অৱগত কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্য চৰকাৰে পৰৱৰ্তী ৫ বছৰত ৫ হাজাৰ ষ্টাৰ্টআপ প্ৰতিষ্ঠান সহায় কৰাৰ লগতে এক লাখ কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰাৰ লক্ষ্যৰে আগবাঢ়িছে। তেওঁ কয়, যে ৰাজ্যখনত এতিয়া ভাসমান সৌৰশক্তি প্ৰকল্প, জৈৱ চি এন জিৰ পৰা সেউজ হাইড্ৰজেনলৈকে সেউজ শক্তি আহৰণৰ দিশত সুযোগ সৃষ্টি হৈছে। ৰাজ্যখনে বিনিয়োগকাৰীসকলৰ বাবে সূচল নীতি প্ৰস্তুত কৰা বুলিও তেওঁ মন্তব্য কৰে। ড০ শৰ্মাই জে এছ ডব্লিঅ' গোটৰ অধ্যক্ষ সজ্জন জিন্দালক আসন্ন এডভাণ্টেজ আচাম সন্মিলনৰ দ্বিতীয় সংস্কৰণলৈ আমন্ত্ৰণ জনায়। পাছত মুখ্যমন্ত্ৰীয়ে ৰেলস্পন ৱৰ্ল্ডৰ অধ্যক্ষ বি কে গোৱেঙ্কাকো সাক্ষাৎ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে শ্ৰীগোয়েংকাৰ সৈতে বস্ত্ৰ, শক্তি, জল পৰিশোধন আৰু আন্তগাথনি আদি বিষয় লৈ আলোচনা কৰে। অধ্যক্ষগৰাকীক এডভাণ্টেজ আচামৰ দ্বিতীয় সংস্কৰণলৈ আমন্ত্ৰণ জনাই প্ৰতিষ্ঠানটোৰ অসমৰ বিভিন্ন খণ্ডত কাম কৰাৰ পৰিকল্পনাসমূহক কাৰ্যৰূপ দিয়াত এই সন্মিলন উপযুক্ত মঞ্চ হ'ব বুল মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০

ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই আজি গুৱাহাটীত আয়োজিত এটা অনুষ্ঠানত বিশিষ্ট সাংবাদিক তথা সাদিনৰ সম্পাদক অনুৰাধা শৰ্মা পুজাৰীক বৰ্ষশ্ৰেষ্ঠ অসমীয়া আৰু প্ৰবীন গায়ক দ্বীপেন বৰুৱাক জীৱনযোৰা সাধনা বঁটা প্ৰদান কৰে। এই উপলক্ষে ৰাজ্যপাল আচাৰ্যই সম্ভাৱনীয়তা আৰু কৌশলগত ভৌগলিক অৱস্থানৰ বাবে অসম দক্ষিণ আৰু দক্ষিণ পূৱ এচিয়াৰ দুৱাৰমুখ  হিচাপে পৰিগণিত হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে বুলি মন্তব্য কৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৰ্শী নেতৃত্ব ৰাজ্যত বিশেষকৈ বাণিজ্য, যোগাযোগ আৰু বিনিয়োগ ক্ষেত্ৰত অবূত পূৰ্ব উন্নয়ন হৈছে।

০০০০

বিজেপিয়ে শাসনাধিস্থিত আম আদমী পাৰ্টীক পৰাস্ত কৰি ২৭ বছৰৰ পাছত দিল্লী বিধানসভা নিৰ্বাচনত নিৰ্ণায়ক জয় সাব্যস্ত কৰিছে। বিজেপিয়ে দিল্লীৰ ৭০ খন বিধানসভা আসনৰ  ভিতৰত ৪৮ খনত জয়লাভ কৰিছে। আম আদমী পাৰ্টীয়ে ২২ খন আসন লাভ কৰিববলৈ সমৰ্থ হৈছে। কংগ্ৰেছে এখন আসনতো জয়লাভ কৰা নাই।

০০০০

অসমক অৰ্থনৈতিক বিকাশ আৰু উন্নয়নৰ কেন্দ্ৰৰূপে গঢ়ি তুলিবলৈ ৰাজ্য চৰকাৰ বদ্ধপৰিকৰ বুলি উচ্চ শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰিছে। লখিমপুৰ জিলাৰ চুকুলিভৰীয়াত আজি বিনিয়োগ আৰু আন্তঃগাথনি সন্মিলন এডভান্টেজ আচামৰ দ্বিতীয় সংস্কৰণৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে ৰাজ্যজুৰি গ্ৰহণ কৰা ব্যৱস্থাৰ অংশ হিচাপে আয়োজিত জিলা পৰ্যায়ৰ কৰ্মশালাত সভাপতিত্ব কৰি জিলাখনৰ অভিভাৱক মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। এই দৃষ্টিভংগীৰ দিশৰ পৰা জিলা পৰ্যায়ৰ কৰ্মশালাখন অতিকে গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰি তেওঁ কয়, যে বিনিয়োগকাৰী আৰু ব্যৱসায়ীসকলৰ লখিমপুৰ, ধেমাজী আৰু মাজুলি জিলালৈ আদৰণি জনাবলৈ তেওঁলোকে আগ্ৰহেৰে বাট চাই আছে। কৰ্মশালাত অংশ লৈ বিহপুৰীয়াৰ বিধায়ক ড০ অমিয় কুমাৰ ভূঞাই স্থানীয় উদ্যমীসকলক এডভাণ্টেজ আচামৰ দ্বিতীয় সংস্কৰণত অংশ গ্ৰহণ কৰিবলৈ আৰু অঞ্চলটোত উদ্যমশীলতাৰ বাবে অনুকুল বাতাবৰণ গঢ়ি তুলিবলৈ আহ্বান জনায়।

০০০০

বিপিএফৰ প্ৰাক্তন উপ সভাপতি তথা বিটিচিৰ প্ৰাক্তন উপ মুখ্য কাৰ্যবাহী সদস্য খাম্পা বৰগয়াৰীয়ে আজি থাইকাঝৰাত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ উপস্থিতিত ইউ পি পি এল দলত আনুষ্ঠানিকভাৱে যোগদান কৰে। এই উপলক্ষে শ্ৰীবৰগয়াৰীয়ে বিটিআৰ অঞ্চলৰ সামগ্ৰিক উন্নয়নৰ স্বাৰ্থত তেওঁ ইউ পি পি এলত যোগদান কৰা বুলি মন্তব্য কৰে।

এই অনুষ্ঠানত ৰাজ্যৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, ৰাজ্যসভাৰ সাংসদ ৰণগৌৰা নাৰ্জাৰী আৰু কোকৰাঝাৰৰ সাংসদ জয়ন্ত বসুমতাৰীৰ লগতে বিটিচিৰ কেইবাগৰাকীও কাৰ্যবাহী সদস্য উপস্থিত থাকে। অনুষ্ঠানত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে কয়, যে খাম্পা বৰগয়াৰীৰ যোগদানে দলটোক অধিক শক্তিশালী কৰি তুলিব।

০০০০

পৰীক্ষাৰ সময়চোৱা ছাত্ৰ জীৱনৰ সম্পূৰ্ণ স্বাভাৱিক অংশ হিচাপে গন্য কৰি ফলাফলৰ বাবে কোনো ধৰণৰ অতিৰিক্ত চাপ নোলোৱাকৈ শিক্ষাৰ্থীসকল পৰীক্ষাত অৱতীৰ্ণ হোৱা উচিত। আজি আকাশবাণীৰ দৃষ্টিপাত অনুষ্ঠানত অসম জাতীয় বিদ্যালয়ৰ শিক্ষয়িত্ৰী অপৰ্ণা দেৱী আৰু মনোৰোগ বিশেষজ্ঞ ডাঃ মৈথিলী হাজৰিকাই এই বিষয়ে প্ৰকাশ কৰে। তেওঁলোকে কয়, যে পৰীক্ষাৰ বাবে পিতৃ-মাতৃ বা অভিভাৱকে ছাত্ৰ-ছাত্ৰীক অনাহক চাপ দিয়াৰ পৰিৱৰ্তে তেওঁলোকক ইতিবাচক মানসিকতাৰে উৎসাহিত কৰা প্ৰয়োজন। তদুপৰি শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকে ছাত্ৰ-ছাত্ৰীৰ সৈতে মুকলিকৈ আৰু অন্তৰংগভাৱে কথা পতা আৰু সান্নিধ্যত থকা প্ৰয়োজন বুলি তেওঁলোকে উল্লেখ কৰে। মোবাইল ফোনৰ ব্যৱহাৰ নিয়ন্ত্ৰণ সন্দৰ্ভত মনোৰোগ বিশেষজ্ঞ ডাঃ হাজৰিকাই এদিনত দুঘণ্টাতকৈ অধিক মোবাইল ফোন ব্যৱহাৰ কৰাটোৱে ইয়াৰ প্ৰতি আসক্তি সূচায় আৰু সেয়েহে শিক্ষাৰ্থীৰ লগতে পৰিয়ালৰ সকলোৱে নিৰ্দিষ্ট সময়ৰ বাবে মোবাইল ফোন ব্যৱহাৰ কৰাৰ লগতে কিছুসময় একেবাৰে মোবাইল ফোনটো ব্যৱহাৰ নকৰাকৈ থকাটো অভ্যাসত পৰিণত কৰা উচিত বুলি মন্তব্য কৰে।

০০০০

অসমীয়া চলচ্চিত্র ড° বেজবৰুৱাৰ একে নামত হিন্দী ৰূপান্তৰ কৰা চলচ্চিত্ৰখনৰ প্ৰযোজক যোগীৰাজ চৌধুৰীৰ আজি গুৱাহাটীৰ এখন চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠানৰ সৈতে জড়িত চৌধুৰীৰ মৃতদেহ শান্তিপুৰৰ বাসগৃহলৈ অনাৰ পিছত বহু লোকে তেওঁৰ প্ৰতি শেষ শ্ৰদ্ধা জ্ঞাপন কৰে।

০০০০

সমাপ্ত